# বিলি

টিউব-ষ্টেশ্যন এটাত ভূ-ৰে এদিন মোক বিলিৰ লগত চিনাকি কৰি দিলে। এটা কাৰ্ডিগান আৰু কৰ্ডুৰয় পিন্ধা ল'ৰা, মোটা কাঁচৰ চছমাৰ তলত সম্ভৱতঃ দুটা চকুও আছে, মাজেৰে সেওঁতা ফলা চুলি। মুখখন গোল আৰু বৃহৎ আৰু চকু দুটাৰ সামান্য যি দেখা যায়, তাত দুষ্টামি বুদ্ধি ঝলমল কৰিছে। আমনি পোৱা মুখেৰে ষ্টেশ্যনৰ বেৰৰ বিজ্ঞাপনবোৰ পঢ়ি আছিল, আমাক লগ পাই যেন ৰক্ষা পৰিল, লানি নিছিগা কথাৰ মুখ খুলি গ'ল। প্লেটফৰ্মখনৰ শান্ত গুঞ্জন ভাগি চুৰমাৰ হৈ গ'ল, মানুহবোৰে সচকিত মুখে তালৈ বেঁকাকৈ চালে। "অ' আপুনিয়েই ভূ-ৰ বন্ধু অমুক? অ, আপোনাৰ কথা ভূ-ৰে বহুত কৈছে, যাক, আজি ৰক্তে-মাংসে লগ পালোঁ...বাই দি ৱে, আপুনি ইয়াত লণ্ডনত কি কৰিছে?"

ট্ৰেইন আহিল আৰু তিনিও উঠি বহিলোঁ। শাৰী-শাৰী মানুহ একোখন কিতাপ বা খবৰৰ কাগজৰ পিছপিনে আত্মগোপন কৰি চুপ-চাপ বহি আছে, বিলিয়ে কৈ উঠিল, "ডাব্বা ভৰ্তি 'স্ফিংচ'ৰ মাজত ভ্ৰমণ কৰিবলৈ বৰ ইন্টাৰেষ্টিং নহয়? (সংবাদপত্ৰৰ পৰ্দাবোৰ সামান্য কঁপি উঠিল, দুই-এখন মুখে ভুমুকি মাৰি চালে।) যাক, মোৰ বিষয়ে নিশ্চয় জানেই, ভূ-ৰে নিশ্চয় সকলো কৈছেই—"

ভূ-ৰে আজিলৈকে বিলিৰ নামেই উল্লেখ কৰা নাই, কিন্তু বিলিয়েই গৰ্গৰকৈ নিজৰ বিষয়ে উচ্চৈস্বৰে সকলোখিনি কৈ গ'ল (যাক ইংৰাজে কয়, 'ডজনত উনৈছটাকৈ'), গোটেই ডাব্বাটোৱে শুনিলে ঃ ভূ-ৰ বন্ধু, বেটাৰ্‌চি পলিটেক্‌নিকত ৰসায়ন পঢ়ে, আচল নাম লিয়াং উ্য নাম্। তাৰ লেণ্ড লেডীয়ে সংক্ষিপ্ত কৰি কৰিলে লি, তাৰপাছত ইংৰাজ জিভাবোৰে এটা বি যোগ কৰি দিলে।

"আচৰিত ইংৰাজ জিভাবোৰ, না পাৰে ইয়ৰ্কশ্বায়াৰ পুডিঙৰ ওপৰত অন্য একো চাকিব, না পাৰে থিংগামি জ'ন্সৰ বাহিৰে অইন কাৰো নাম উচ্চাৰণ কৰিব। এই ধৰক, মই আৰু এটা চুইচ ল'ৰা একেলগে এটা দুই-ৰুম ফ্লেট লৈ আছোঁ, তাৰ নাম ফ্ৰিডৰিখ্ ড্যুৰেন্‌মাট্, আঃ, তাৰ ওফোন্দা মুখখন যদি দেখে, যেতিয়া ইংৰাজে তাৰ নামটো উচ্চাৰণ কৰে। জিভাই-জিভাই বাগৰি-বাগৰি তাৰ নামটো এতিয়া কি হৈছেগৈ, জানে?"

"কি?"

"ফ্ৰেড্ ড'ৰমেট্—ড'ৰমেট্—,ইউ ন', দুৱাৰৰ বাহিৰত যি বস্তুটোৰ ওপৰত মানুহে জোতা মচি ঘৰ সোমায়।"

বিলিৰ সোঁহাতৰ এগৰাকী বয়সস্থা ভদ্ৰমহিলাই হাতৰ কিতাপখন কোলাত নমাই থ'লে আৰু চছমাযোৰ খুলি বিলিৰ পিনে চালে। ভদ্ৰমহিলাক সম্পূৰ্ণ উপেক্ষা কৰি বিলিয়ে কৈ গ'ল। সিহঁত বহু দিনৰপৰা ইংলণ্ডতে আছে, ব্লেকপুলত তাৰ দেউতাকৰ এখন লণ্ড্ৰীৰ দোকান আছে, কলেজৰ বন্ধবোৰত সি তাত কাম কৰে। আচল ঘৰ ক'ত? আচল ঘৰ অৱশ্যেই চীনত (যদিও সি কেতিয়াও চীনলৈ যোৱা নাই, তাৰ জন্মই ইয়াতে)—ছেকিয়ান প্ৰদেশৰ (বা ফুকিয়েন, বা কিবা) এখন গাঁৱত। সি কাগজ এখন উলিয়াই নিৰ্বিকাৰভাৱে চীনৰ মেপ বুলি কিবা এখন আঁকি গাঁওখন বহুৱালে। এনেতে এটা অভাবনীয় কাণ্ড ঘটিল। বয়সস্থা ভদ্ৰমহিলাগৰাকীয়ে চছমাযোৰ পিন্ধি লৈ মেপখন জুমি চালে আৰু মিচিকৈকৈ হাঁহি দি কৈ উঠিল, "ইয়ং মেন, এইখন চীনৰ মেপ?" বিলি কাণলৈকে ৰঙা পৰি উঠিল। বুজিলোঁ যে তাৰ চীনৰ জ্ঞান মোৰ অসমৰ জ্ঞানৰদৰেই।

তাৰ ষ্টেশ্যনটো আহি পৰিল, বিলি ব্যস্ত হৈ উঠিল। "অ', মোৰ ঠিকনাটো দিয়া নহ'ল—বেইজ্‌ৱাটাৰ্—কুইন্সৱেত নামিলেই হ'ব, বাৰু—নালাগে, ভূ-ৰে জানে—যেনে-তেনে আহিব—আপোনাৰ লগত বহুত কথা থাকিল—", চিঞৰি-চিঞৰি বিলি নামি গ'ল। 'স্ফিংচ'বোৰ বোধকৰোঁ নিশ্বাস পেলাই বাচিল, কিন্তু লক্ষ্য কৰিলোঁ 'স্ফিংচ'বোৰৰ মুখতো বিভিন্ন ডিগ্ৰীৰ কৌতুকৰ ৰেখা। মই ভূ-ক সুধিলোঁ—সিনো কেতিয়া এই চীনা বাক্যবীৰক মোৰ কথা কৈছিল? ভূ-ৰে ক'লে যে সি মোৰ নাম কেতিয়াও উল্লেখেই কৰা নাই।

২

তাৰপাছত মাজে-মাজে বিলিক টিউবে-বাছে লগ পালোঁ, চকামকাকৈ। বেছি কথা ক'বৰ তাৰ সময় নাই, তাৰ লগত সদায় একোজনী নতুন ছোৱালী। এদিন বিলিয়ে ক'লে যে সি মুদ্ৰা গোটায়, মোৰ হাতত ভাৰতীয় নোট বা মুদ্ৰা একো

নাই? থাকিব পাৰে, মই ক'লোঁ। (ভূ-ৰ হাতত যি আছিল সি কেতিয়াবাই নি তাৰ সংগ্ৰহত যোগ দিছে।) পিছদিনা বিলি মোৰ ৰুমত আহি উপস্থিত। বাকচ খুঁচৰি-খুঁচৰি এখন পুৰণি এটকীয়া নোট আৰু এক অনা পোৱা গ'ল, বিলিৰ কি উল্লাস! বাকচটো বন্ধ কৰিবলৈ মই চাবি ভৰালোঁ, বিলি থমকি ৰ'ল। চাবিৰ ৰিংটোত সেইটো কি? অ', এইটো—এইটো এটা ফুটা পইছা, আমাৰ দেশত যুদ্ধৰ সময়ত ওলাইছিল (তামৰ অভাব হেতু)। ইন্টাৰেষ্টিং, বিলিয়ে ক'লে, এনেকুৱা ফুটা পইছা সি জীৱনত দেখা নাই, সেইটো তাক লাগিব।

আফ্ৰিকাৰ জুলুবিলাকৰো বোলে এবিধ আঙঠি-টকা আছিল, আৰু পুৰণি চীনতো ৰচিৰে আঁৰি থ'ব পৰাকৈ চাৰিকুণীয়া ফুটা থকা এবিধ মুদ্ৰা আছিল, কিন্তু তেনেকুৱা এটাও আজিলৈকে তাৰ হস্তগত হোৱা নাই। মোৰ পইছাটো তাক লাগিব।

মই মূৰ খজুৱাব আৰম্ভ কৰিলোঁ। চাবিৰ ৰিং আৰু ফুটা পইছাটোৰ এটা ভাবপ্ৰৱণ মূল্য আছে ঃ দেশত এজন অন্তৰংগ বন্ধুৰে সৈতে ফুটপাথৰ দোকানত দুয়ো দুখন সৰু পেঞ্চিল কটা ছুৰি কিনিছিলোঁ, ছুৰি দুখন ভৰাবলৈ লগতে দুটা চাবিৰ ৰিঙো কিনিলোঁ। তেতিয়াও আমাৰ বাকচ-টাকচ একো হোৱা নাই (ঘৰৰ গৰম ভাত খাই পঢ়া-শুনা কৰোঁ আৰু বিছনাৰ তুলিৰ তলত গোপনীয় বস্তু থওঁ)। কিন্তু চাবিৰ ৰিঙত অকল ছুৰি এখন থাকিলে ভাল নেদেখি, সি জেপৰপৰা দুটা পইছা উলিয়াই ৰিং দুটাত খুৱাই দিলে। বন্ধুজন ইতিমধ্যে নিৰুদ্দেশ হৈছে, ক'লৈ গ'ল কোনেও নাজানে।

মই ক'লোঁ (সঁচা কথাই ক'লোঁ) যে এইটো মোৰ তাবিজৰদৰে, মোৰ 'গুড-লাক' মুদ্ৰা, এইটো থাকক, অইন এটা অনাই দিম। কিন্তু এনেকুৱা পইছা জানো এতিয়াও চলে, সি সুধিলে (চালাক ল'ৰা)। স্বীকাৰ কৰিলোঁ, নাই, আজিকালি আৰু নচলে, বিচাৰিলেও পোৱা যাব নে নাযায় দুৰ্ঘোৰ সন্দেহ।

"চোৱা, মোৰ এটা বঢ়িয়া চিগাৰেট লাইটাৰ্ আছে", বিলিয়ে ক'লে, " 'ৰন্চন' লাইটাৰ্ তাৰ তুলনাত একোৰেই নহয়। কিন্তু তাতকৈ ডাঙৰ কথা হ'ল, সেইটোতকৈ ভাল 'গুড-লাক' লাইটাৰ্ আৰু আজিলৈকে পৃথিৱীত ক'তো ওলোৱা নাই। সেইটো জেপত লৈ ওলালে সি য'তে যি মুদ্ৰা বিচাৰি যায় তৎক্ষণাৎ পাই যায়, এজ্ ইজি এজ্ এনিথিং। টে'ল ইউ হোৱাট, সেই লাইটাৰটো তোমাক দিম, মোক ফুটা পইছাটো দিয়া। এ' ফেয়াৰ ডিল, কি?"

"ক'ত লাইটাৰ্?"

"আজি লগত অনা নাই", বিলিয়ে নিৰ্বিকাৰভাৱে ক'লে আৰু যোগ দিলে, "দেখিছাই, সেইটো লগত নথকা কাৰণে আজি এটা সামান্য ফুটা পইছা যোগাৰ কৰোঁতে মোৰ কিমান অসুবিধা হৈছে।"

চিগাৰেট-লাইটাৰো নো মানুহে ঘৰত থৈ আহেনে? ক'লোঁ, "তোমাৰ আশ্চৰ্য লাইটাৰটো লৈ আহিবা, তাৰপাছত বিবেচনা কৰি চোৱা যাব।" মুখ বিকৃত কৰি বিলি গুচি গ'ল। দুদিন পিছত তাক লগ পালোঁ।

"লাইটাৰটোৰ খবৰ কি?", মই সুধিলোঁ।

"অ', লাইটাৰ", বিলিয়ে নিৰ্লজ্জভাবে তাৰ দুষ্টামিৰ হাঁহিটো মাৰিলে, "অ' পাহৰিয়েই গৈছিলো—সেইটো বদলি কৰিবলগীয়া হ'ল।"

কোনোবা এজন মানুহক বোলে সি লাইটাৰটো দি দিবলগীয়া হ'ল, এটা বহু মূল্য, দুষ্প্ৰাপ্য সপ্তম শতিকাৰ পুৰণি ব্ৰেজিলিয়ান মুদ্ৰাৰ বিনিময়ত; সপ্তম শতিকাত ব্ৰেজিলত মুদ্ৰা আছিল নে নাই ঈশ্বৰে জানে, উচ্চবাচ্য নকৰিলোঁ।

৩

বিলিৰ ফ্লেটৰ সংগী ফ্ৰিড্ৰিখ্ ড্যুৰে'ন্মাট্ চুইচ দূতাবাসত কাম কৰে, বিলিৰ প্ৰায় সমবয়সীয়া, ৰঙা মুখ আৰু ৰঙা চুলিৰে হৃষ্টপুষ্ট ৬ফুট দীঘল ল'ৰা, বিলিৰ মূৰটো তাৰ কান্ধত থাকে, গালিভাৰ আৰু লিলিপুট যেন দেখি। ফ্ৰেডক অলিম্পিকৰ ফুটবল খেলুৱৈ বুলি ক'লে কোনেও অবিশ্বাস কৰাৰ কাৰণ নাই (এই দৈত্যটোক জোতা মচা ড'ৰমেট আখ্যা দিব পাৰে কিজানি একমাত্ৰ ইংৰাজ কল্পনাইহে)। আগেয়ে দুয়ো একেজনী লেণ্ড লেডীৰ ঘৰতে বেলেগে-বেলেগে আছিল, কিবাকৈ দুয়োৰে মনত খেলালে যে সিহঁতে একেলগে এটা ফ্লেট ল'লে বেয়া নহ'ব। যেনে ভবা, তেনে কাম। ফলত এই যুটীয়া সংসাৰ।

চীনা-চুইচ-সমন্বয়টো খুব মসৃণভাৱে চলা নাই। সিহঁতৰ সংসাৰখন অলপ বিশৃঙ্খল, বিশেষকৈ ফ্ৰে'ডৰ অংশটো, কাপোৰ-কানি, কিতাপ-পত্ৰ ছত্ৰাকাৰ, কোনো এটা বস্তু ঠিকমতে বিচাৰি পাবৰ উপায় নাই। এই অৰাজকতা বিলিৰ পছন্দ নহয়, ফ্ৰে'ডৰ লগত সদায় পুৱা-গধূলি তাৰ একহাত হৈ যায়। ফ্ৰে'ড কিবা ভাবত অন্যমনস্ক হৈ থাকে চব্বিছ ঘণ্টা, য'ৰে বস্তু ত'তে এৰে, নিৰ্বিকাৰভাৱে বিলিৰ টুথপেষ্টেৰে দাঁত মাজি, বিলিৰ টাৱেলখনেৰে মুখ মচি, বিলিৰ টাই এডাল মাৰি, বিলিৰ কোটটো পিন্ধি, বিলিৰ চিগাৰেটকেইটা লৈ বাহিৰ হৈ যায়, বিলিয়ে নিজৰ বস্তুবোৰ নিৰ্দিষ্ট ঠাইত বিচাৰি নাপাই তৰ্জন-গৰ্জন কৰি মৰে। এদিন বিলিৰ দেৰাজত কিবা বিচাৰি-বিচাৰি ফ্ৰে'ডে এখন কিতাপ আৱিষ্কাৰ কৰি পেলালে, বিলিয়ে বোধকৰোঁ লুকাই-লুকাই পঢ়িছিল—সেই ঘটনাৰ পাছত এসপ্তাহলৈ বিলিয়ে ফ্ৰে'ডৰ লগত কথাই নক'লে (কিতাপখনৰ নাম 'টিচ্ছ্ ইয়ৰ্চেল্ফ্ চাইনিজ')। দুপৰীয়া দুয়ো বাহিৰত খায়, সোম, বুধ, শুকুৰবাৰে আবেলি বিলিয়ে ৰান্ধে; মংগল, বৃহস্পতি, শনিবাৰে ফ্ৰে'ডে, ৰবিবাৰে কোন ক'লৈ যায় পাত্তা নাথাকে। ফ্ৰে'ডে স্পাগেটি বনায় আৰু স্তূপ-স্তূপ চুইচ্ পনীৰ কিনি আনে, বিলিয়ে মাজে-মাজে আধা খাই চিনেমা চাবলৈ গুচি যায়। বিলিয়ে প্ৰচুৰ যত্নেৰে বিফষ্টে'ক বনায়, ফ্ৰে'ডে

মুখ বিকৃত কৰি এদিন কয় যে ষ্টে'কটো আধাহে পুৰিছে আৰু মছলা বেছি হৈছে, এদিন কয় যে ষ্টে'কটো আজি ডবল পুৰিছে আৰু মছলা বেছি হৈছে। কেতিয়াবা মই দুয়োকে ইউষ্টন-স্কোৱেৰৰ কাষৰ ভাৰতীয় ৰেষ্টুৰেন্ট এখনলৈ চিকেন বিৰিয়ানি খুৱাবলৈ লৈ যাওঁ, সেইদিনা দুয়ো কোনেও কাকো গালি-গালাজ নকৰাকৈ খোলা মেজাজেৰে খায়। ফ্ৰে'ডৰ এজনী চুইডিচ বান্ধৱী আছে, ৰিটা ফ্লাভ্, একে অফিচতে কাম কৰে—আঁকৰীৰদৰে গোল ডাঙৰ মুখ, কোনো মে'ক-আপৰ বাহুল্য নাই, গোটেইখন ভোটা নাক আৰু ভোটা থুঁতৰি, ভোটা আঙুলি আৰু চুটি-চুটি বগা চুলি—কেতিয়াবা ৰিটা আহি দেখে দুয়ো দুখন চকীত পৰস্পৰৰ পিনে পিঠি দি গুঁজৰি-গুমৰি বহি আছে, টেবুলত আধা খোৱা প্লেট, তাই পাকঘৰত ইটো-সিটো গোটাই মেলি পুনৰ নতুন খোৱাৰ ব্যৱস্থা কৰে, লাহে-লাহে কোঠালিৰ থমথম ভাবটো পাতল হৈ আহে। ৰিটাই বাৰে-বাৰে স্বয়ংক্ৰিয়ভাৱে হাত চলাই চুলিখিনি ঠিক কৰে (যেন তাইৰ কেশসজ্জাহে কোনোবাই চাই আছে) আৰু কয়, "বিলি, তোমাৰ সংগ্ৰহটো আজি নুলিওৱা? নতুন কিবা পালা?"

সংগ্ৰাহকৰ প্ৰদৰ্শনৰ গৰ্ব আৰু তাৰ লগত আন এটা শঙ্কা মিহলি হৈ বিলি বিচলিত হয়, কিন্তু অৱশেষত মুদ্ৰাবোৰ উলিয়ায়। আশঙ্কাটো ৰিটাক লৈ। তাই উচ্ছ্বসিত হৈ কয়, "আঃ বিলি, এই অতবোৰ নতুন পুৰণি মুদ্ৰা চাবলৈ মোৰ যে ইমান ভাল লাগে! কি ৰোমান্টিক, নহয়? অ', হাউ আই লাভ ইট্! আঃ ফ্ৰে'ড, মোৰো যদি ইমান ধুনীয়া এটা কালেক্শ্যন থাকিলহেঁতেন!" বৰ্তমান মুহূৰ্তলৈ তাইৰ 'কালেক্শ্যন' হ'ল কেইটামান ফৰাছী ফ্ৰাঁ, দুটা অষ্ট্ৰিয়ান শ্বিলিং, এটা জাৰ্মান মাৰ্ক।

ফ্ৰে'ডে নিৰ্লিপ্তভাৱে কান্ধ জোঁকাৰে—গোটেই বস্তুটো তাৰ কিবা 'অভং' যেন লাগে, 'চিলি' যেন লাগে। বিলিৰ বুকু দুৰু-দুৰু কৰে—যদি তাই নভবা-নিচিন্তাকৈ কৈ পেলায়, "আঃ বিলি, এইটো মোকেই দি নিদিয়া কিয়?"—তেতিয়া? তেতিয়া সি কি কৰিব? "ছোৱালী মানুহক না কৰিব নোৱাৰি, ইউ ন', যিয়েই নঘটক—যদি এবাৰ তাই কিবাকৈ মুদ্ৰাবোৰ পাবলৈ ইচ্ছা প্ৰকাশ কৰি পেলায় তেতিয়া মোৰ পিনে হ'ল আৰু, তেতিয়া আই এম্ ইন্ এ' ফিক্স!"

যিহওক, ৰিটাই কোনোদিন মুখ খুলি নোখোজে, মাথোন ঘণ্টাৰ পাছত ঘণ্টা সতৃষ্ণ মুগ্ধ নয়নে মুদ্ৰাবোৰৰ কাষত বহি চাই থাকে ("মেকুৰীয়ে যেনেকৈ গছৰ চৰাইলৈ চায়, ইু ন"—বিলি)। সোণৰ মুদ্ৰা আৰু ৰূপৰ মুদ্ৰা, টিনৰ মুদ্ৰা আৰু তামৰ মুদ্ৰা, চেপেটা আৰু উখহা, গোল আৰু চাৰিকুণীয়া আৰু ডিম্বাকৃতি, জীৱ-জন্তুৰ সাঁচ মৰা মুদ্ৰা, ৰজা-ৰাণীৰ মুদ্ৰা, অস্ত্ৰ-শস্ত্ৰৰ আকৃতিত কটা মুদ্ৰা। মুদ্ৰাবোৰ সি কাকো হাতেৰে চুব নিদিয়ে ('মি ফাইয়ে প্ৰৱৰ্তন কৰা নিয়ম'), কিন্তু লাহে-লাহে তাৰ মুখ খুলি যায়, ভিতৰৰ উৎসাহী সংগ্ৰাহক মানুহটো আত্মপ্ৰকাশ কৰে—এইটো মুদ্ৰা ইজিপ্তৰ, ইমান শতিকাৰ, অমুকৰ ওপৰত টেক্কা দি আনিছে; এইটো পুৰণি গ্ৰীক মুদ্ৰা, অমুক ৰজাৰ দিনৰ, যোগাৰ কৰোঁতে তাৰ ইমান পাউণ্ড গৈছে; এইটো মুদ্ৰা মান্ধাতাৰ আৰু এইটো মুদ্ৰা মেথুচেলাৰ দিনৰ, আৰু এই অভিনৱ মুদ্ৰাটো যোগাৰ কৰিবলৈ সি চাইপ্ৰাচৰপৰা অহা মানুহ এজনৰ পম খেদি-খেদি পূৰা দুদিন কেম্‌ডেন টাউন এলাকাত ঘূৰপাক খাইছে—(কিন্তু সকলোৰে ওপৰত টেক্কা দিলে মোৰ ফুটা পইছাটোৱে; ৰিটাৰ চকু ঝলমল কৰি উঠিল, চুলিৰ মাজেৰে ক্ষিপ্ৰভাৱে এবাৰ আঙুলি চলালে আৰু কৈ উঠিল, "অ', হাউ কুয়েইন্ট!")—মই ক'লোঁ, "অতবোৰ সোণ-ৰূপ এনেকৈ পেলাই নথৈ বৰ়িয়াকৈ গলাই লৈ দেখোন—"

"বৰ্বৰ", বিলিয়ে ক'লে।

এই বায়ুটো তাৰ ক'ৰপৰা আহিল, মই জানিব বিচাৰিলোঁ। এইটো এটা চীনা 'অভ্যাস', সি সগৰ্বে ক'লে। এই বায়ু চীনাৰ ৰক্তত আছে। তাৰ দেউতাকে হেনো পুৰণি জাপানী আৰু চীনা ছবি সংগ্ৰহ কৰে, মাকে সংগ্ৰহ কৰে দুনিয়াৰ যত ৰকমৰ বিচনি, হয়তো তাৰপৰাই বায়ুটো আহিছে।

"এটা চীনা অভ্যাস, ইউ ন", বিলিয়ে ক'লে।

"অ' হয় নেকি?"

"আঁ—কভাল্স্কিক সুধি চাবা।"

বিলিৰ মুদ্ৰা-ক্লাবৰ বন্ধু কভাল্স্কি, প'লেণ্ডৰপৰা অহা এজন ভগনীয়া। তেওঁৰ চীনা বস্তুত আগ্ৰহ আৰু তেওঁ চীনা খাদ্যৰ চমঝদাৰ। টটেন্‌হাম ক'ৰ্ট ৰ'ডত তেওঁ এখন পুৰণি কিতাপৰ দোকান চলায় আৰু আজৰি সময়ত ব্ৰিটিছ মিউজিয়াম লাইব্ৰেৰীলৈ গৈ চীনৰ বিষয়ে পঢ়া-শুনা কৰে। ঘৰৰপৰা আঁতৰি থাকি তেওঁৰ কোনো খেদ নাই, তেওঁ হেনো কয়, "সৌভাগ্যক্ৰমে মোৰ নিৰ্বাসন ঘটিছে লণ্ডনত, আৰু লণ্ডনত আছে সকলো বস্তু আৰু সকলো দেশ। এটা 'হবি'ৰ চৰ্চাৰ কাৰণে ইয়াতকৈ উৎকৃষ্ট ঠাই আৰু কি আছে?" চহ' অঞ্চলৰ চীনা ৰেষ্টুৰেন্ট এখনলৈ বিলিয়ে মোক আৰু ভু-ক ছপ চুৱে আৰু চৰাই বাহৰ চু খুৱাবলৈ লৈ গ'ল, আৰু নিৰল টেবুল এখনত ঘন মোটা ভুৰুৰে পাইপ টনা আদহীয়া মানুহ এজনৰ লগত চিনাকি কৰি দিলে।

"মিঃ অমুক, মিঃ তমুক, মিঃ আন্টন্ কভাল্স্কি। ইয়াৰ্ ইউ আৰ্। যিকোনো চৈনিক বস্তুৰ কাৰণে ইয়াত আবেদন কৰক।"

গতিকে এই সুযোগতে কভাল্স্কিক সুধি চালোঁ। যাৰ যিহত ৰাপ! কভাল্স্কিয়ে সমুখৰ বাটিবোৰ আঁতৰাই থ'লে, সাগ্ৰহে পাইপটো জ্বলালে, আৰু এটা নাতিহ্ৰস্ব বক্তৃতা আৰম্ভ কৰিলে। বিলিয়ে হেনো ঠিকেই কৈছে, এই বিষয়ে তেওঁ

পঢ়া-শুনা কৰি যি পাইছে, এই সংগ্ৰহ কৰাৰ ‘হবি’ৰ পূৰ্ণ বিকাশ হয় চীন দেশতেই, খ্ৰীঃ পূঃ ১ম শতিকাত, হান্ বংশৰ আমোলত। কওঁতে-কওঁতে তেওঁৰ পাইপটো নুমাই গ’ল, নিৰ্বাপিত পাইপটোতে পৰম সুখেৰে টান দি-দি কভাল্‌স্কি ক্ৰমে-ক্ৰমে এঘাৰ শতিকালৈ আহিল। এঘাৰ শতিকাত হেনো মি-ফাই নামেৰে এজন ব্যগ্ৰ আৰু বিখ্যাত আৰু পৰম একনিষ্ঠ চীনা সংগ্ৰাহক আছিল, তেৰেঁই প্ৰথমে সংগ্ৰহ পদ্ধতিৰ নিয়ম-প্ৰণালী কিছুমান প্ৰৱৰ্তন কৰিলে। আজিৰ পাশ্চাত্য জগতত প্ৰচলিত সংগ্ৰহ-প্ৰণালীৰ নিয়মবোৰ, টেক্‌নিক্‌বোৰ, ক’ৰপৰা গৃহীত কোনে উলিওৱা, জানেনে? ঠিক ধৰিছে, সকলো মি-ফাইৰ নিয়ম, ইত্যাদি-ইত্যাদি। কভাল্‌স্কিয়ে পাইপটো জ্বলাবলৈ এটা বিৰতি দিলে, আৰু এই সুযোগতে এটা অচিলা দেখুৱাই ভূ-ৰে বিদায় ল’লে। “কিন্তু অৱশ্যই”, পাইপডাল নমাই থৈ কভাল্‌স্কিয়ে পুনৰ খাদ্যত মন দিলে, “এইটোক এটা সম্পূৰ্ণ চীনা অভ্যাস বুলি কোৱা হয়তো ভুল। এইটো মানুহ মাত্ৰৰে অন্তৰ্নিহিত ধৰ্ম। সকলোৱে কিবা নহয় কিবা সংগ্ৰহ কৰে। বোধকৰোঁ তাৰ মনোবৈজ্ঞানিক ব্যাখ্যা এয়ে যে দখলৰ অধিকাৰে আমাৰ অহং ভাবটো সন্তুষ্ট কৰে। বোধকৰোঁ এই অহং ভাবটো চৰিতাৰ্থ কৰিবলৈকে চুলতানসকলে এজনী-এজনীকৈ বহুজনী ছোৱালী সংগ্ৰহ কৰি হাৰেম বনায়। হয়তো ডন জুৱানৰ হাজাৰ প্ৰেমৰ কাৰণো এয়েই। বেছি কি ক’ম, জানেই, আমাৰ ডেকা বন্ধু বিলি নামৰ লগতো যে প্ৰতি সপ্তাহে একোজনী নতুন-নতুন বান্ধৱী (বিলিয়ে মোৰ পিনে কেৰাহিকৈ চাই এটা মিথ্যা লজ্জাৰ হাঁহি মাৰি দেৱাললৈ মুখ ঘূৰালে)—সৰুতে ল’ৰাই যেনেকৈ নিজৰ জেপত ৰাজ্যৰ বস্তু জমা কৰে, সেইটোও বোধকৰোঁ এই সংগ্ৰহ প্ৰবৃত্তিৰেই এটা ৰুক্ষ, অপৰিণত প্ৰকাশ।”

বুজিলোঁ যে কভাল্‌স্কি আজি ঠিক মেজাজত আছে, কিন্তু আপত্তি তুলিলোঁ। মই ক’লোঁ যে মই একো সংগ্ৰহ নকৰোঁ—না জাপানী ছবি, না ডাকটিকেট, না পুৰণি জোতাৰ বাকচ, গুড্ডী, গ্ৰাম’ফ’ন ৰেকৰ্ড, না লাটুম, না চিগাৰেটৰ পেকেট।

“হয়তো কিতাপ? নাই? আঃ মাই ফ্ৰেইণ্ড”, যেন আনন্দিত হৈয়েই কভাল্‌স্কিয়ে ক’লে, “সজ্ঞানে হয়তো আপুনি একো যোগাৰ কৰি নুফুৰে। কিন্তু সংগ্ৰহ কৰা বস্তুটো যে ইন্দ্ৰিয়গ্ৰাহ্য পদাৰ্থ এটাই হ’ব লাগিব, তাৰ অৱশ্যে কোনো মানে নাই। হয়তো আপুনি সংগ্ৰহ কৰে বন্ধুত্ব, বা অভিজ্ঞতা, বা স্মৃতি—আপোনাৰ বিখ্যাত ফুটা পইছা আৰু দেশৰ বন্ধুজনৰ কথা মনত কৰক। ছ’, ডেয়াৰ্ ইউ আৰ্।”

ছপ্‌ষ্টিকডাল জোঁকাৰি কভাল্‌স্কিয়ে এনে এটা ভংগী দিলে, যেন এই উদাহৰণৰ পিছত আৰু আপত্তি নচলে।

“অ—তেনেকৈ চাবলৈ গ’লে অৱশ্যে”—মই আৰম্ভ কৰিলোঁ।

“ভাল কথা মনত পেলাই দিলে মিঃ কভাল্‌স্কিয়ে”, বিলিয়ে ক’লে, যেন কথাটো তাৰ এতিয়াহে মনত পৰিল, “তোমাৰ ফুটা পইছাটো কি হ’ল?”

মই হাঁহিলো আৰু মূৰ জোঁকাৰিলোঁ। অলপো নদমি বিলিয়ে ক’লে, “এটা বীয়াৰ খোৱা”। খালোঁ। বিলিয়ে ক’লে, “তুমি জানা, সেই পইছাটো নাপালে মোৰ সংগ্ৰহটো অসম্পূৰ্ণ হৈ ৰ’ব—মোৰ ইমান দিনৰ চেষ্টা, অধ্যৱসায়, সকলো আধৰুৱা হৈ থাকিব—তুমি কি তাকে বিচাৰা?” মই ক’লোঁ—“এটা বীয়াৰ খোৱা। দেশলৈ গৈ এটা পঠিয়াই দিম।” সি খালে, আৰু ক’লে, “তুমি নাজানা, এটা সামান্য পইছা, এটা সামান্য ডাকটিকেট এজন সংগ্ৰাহকৰ কাৰণে কিমান মূল্যৱান।” “খুব জানো”, মই ক’লোঁ। “তোমাৰ লগত মোৰ বন্ধুত্ব শেষ হৈ যাব পাৰে”, সি ক’লে। “খুব পাৰে”, মই ক’লোঁ। তাৰ ধৈৰ্যচ্যুতি হ’ল, সি চকীৰপৰা উঠিল আৰু ক’লে, “গুড নাইট। দুঃখিত, মিঃ কভাল্‌স্কি, মোৰ এটা এপয়ন্টমেন্ট আছে।” “গুড নাইট”, মই ক’লোঁ আৰু গিলাচটো তুলি ল’লোঁ। বিলি ৰৈ থাকিল। “মই কৈছোঁ, গুড নাইট”, সি আকৌ ক’লে, “গুড নাইট”, ময়ো ক’লোঁ আৰু চকীৰপৰা তাৰ ওভাৰকোটটো তুলি দিলোঁ। মোৰ পিনে এটা অগ্নিদৃষ্টি নিক্ষেপ কৰি বিলি বাহিৰৰ কুঁৱলিলৈ ওলাই গ’ল।

কভাল্‌স্কি চকীত আঁউজি বহিল আৰু মোৰ পিনে চাই সকৌতুক হাঁহিলে। “সামান্য এটা পইছা লৈ ইমান ছিৰিয়াছ হ’বৰ কি আছে”—মই অলপ বিৰক্ত হৈ ক’লোঁ। “আঃ মাই ফ্ৰেইণ্ড”, কভাল্‌স্কিয়ে ক’লে, “আপুনি একো বুজা নাই। বিলিয়ে সোধে ঃ ফ্ৰে’ডে ৰিটাত এনে কি দেখে? সামান্য এজনী ছোৱালী লৈ ইমান ছিৰিয়াছ হ’বৰ কি আছে? আপোনাৰ প্ৰশ্নটো আৰু বিলিৰ প্ৰশ্নটো একেই। তাৰ উত্তৰো একেটাই ঃ ফ্ৰে’ড ৰিটাৰ প্ৰেমত পৰিছে। বিলি তাৰ সংগ্ৰহটোৰ প্ৰেমত পৰিছে, আৰু প্ৰেমৰ কাৰণে বোলে মানুহে কৰিব নোৱৰা কাম নাই। দুয়োৰে একেধৰণৰ অনুভূতি, উল্লাস, ব্যগ্ৰতা, হতাশা, ঈৰ্ষা, তীব্ৰ বাসনা, পৰিতৃপ্তি, উন্মাদনা। আপোনাৰ এই আচৰিত ফুটা পইছাটোৰ প্ৰতি কি মোৰ লোভ হোৱা নাই? হৈছে, বিলিতকৈ সেই লোভৰ তীব্ৰতা কোনো গুণে কম নহয়। কিন্তু মই আৰু ডেকা মানুহ নহওঁ, কথাবোৰ মই এতিয়া নিৰপেক্ষভাৱে ল’ব পৰা হৈছোঁ, মই বিলিৰদৰে আপোনাক জোৰ নকৰোঁ। কিন্তু বিলি তৰুণ যুৱক, সংগ্ৰাহক প্ৰেমিক, আৰু প্ৰেমৰ কাৰণে মানুহে...এটা সঁচা গল্প শুনক। ৰিচাৰ্ড হেবাৰ্ নামে এজন কিতাপ-সংগ্ৰাহক আছিল। এগৰাকী ভদ্ৰমহিলাৰপৰা হেবাৰে এখন মনোৰম মধ্যযুগীয় পুথি—বুক্ অফ চেইন্ট অলবান্স্—সৰকাবৰ বহু চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে। অৱশেষত ৰিচাৰ্ড হেবাৰে কৰিলে কি জানেনে? তেওঁ ভদ্ৰমহিলাক বিয়াৰ প্ৰস্তাৱ দি বহিল। জানেনে, আপুনি যদি ছোৱালী মানুহ হ’লহেঁতেন, বিলিয়েও হয়তো আপোনাৰ পাণিগ্ৰহণৰ প্ৰস্তাৱেই দি পেলালেহেঁতেন, যাতে আপোনাৰ লগত তেওঁ আপোনাৰ ফুটা পইছাটোও পায়।”

মই ঈশ্বৰক ধন্যবাদ দিলোঁ যে তেওঁ মোক ছোৱালী মানুহ কৰি সজা নাই, আৰু ক’লোঁ, “কিন্তু লোকৰ পইছা যোগাৰ

কৰোঁতে-কৰোঁতে তাৰ নিজৰ সংগ্ৰহটোহে কোনোবাদিন হাত বদলি হৈ যাব যেন পাইছোঁ। শ্ৰীমতী ৰিটা ফ্লাভ্—”

এই বিপজ্জনক সম্ভাবনাটোৰ কথা বিলিৰ মুখত কভাল্স্কিয়ে শুনিছে। তেওঁ বিজ্ঞৰদৰে হাঁহিলে আৰু ক'লে, “আপোনাক আৰু এটা সঁচা গল্প কওঁ। ছাৰ ৰবাৰ্ট কটনৰ নাম শুনিছে সম্ভৱতঃ, তেৰোঁ এজন বিখ্যাত কিতাপ-সংগ্ৰাহক আছিল। তেওঁৰ অতি যত্নৰ লাইব্ৰেৰীটো আছিল তেওঁৰ প্ৰাণ। পিছে ৰাজনৈতিক পাকচক্ৰত ঘটনা এনে হ'ল যে ইংলণ্ডৰ ৰজা তেওঁৰ প্ৰতি ৰুষ্ট হ'ল। ৰজাই তেওঁক শাস্তি দিলে। ইংলণ্ডৰ ৰজা তেতিয়া প্ৰথম চাৰ্লছ, ৰজাই বাছি-বাছি এনেকুৱা শাস্তি এটা দিলে যে তাতকৈ মৰ্মান্তিক শাস্তি আৰু ছাৰ ৰবাৰ্টৰ কাৰণে একো হ'ব নোৱাৰে—তেওঁক নিজৰ লাইব্ৰেৰীত প্ৰবেশ নিষেধ কৰি দিলে। প্ৰেমাস্পদৰপৰা বিচ্ছিন্ন মানুহৰদৰে দুখে-বেজাৰে খীণাই-শুকাই ছাৰ ৰবাৰ্ট এদিন মৰিয়েই থাকিল। মাই ফ্ৰেইণ্ড, ৰিটাৰ হাতলৈ বিলিৰ সংগ্ৰহটো যোৱাৰ আশা সুদূৰপৰাহত। তাৰ কালেক্‌শ্যনটো এৰি দিব লাগিলে সি আৰু বিলি হৈ নাথাকে”, কভাল্স্কিয়ে নেতিসূচকভাৱে মূৰ জোঁকাৰিলে, “নাই, ৰিটাৰ ছোৱালীমতীয়া আকাংক্ষাই আমাৰ বিলিক টলোৱাৰ আশা—”

“কম, অতি কম। প্ৰায় শূন্য। এই বিষয়েময়ো নিশ্চিত।” কেইদিনমান আগেয়ে হোৱা মোৰ সৰু অভিজ্ঞতা এটা কভাল্স্কিৰ আগত বিবৃতি কৰিলোঁ।

৪

এটা সৰু অভিজ্ঞতা। ফ্ৰে'ড আৰু বিলিৰ লগত সিহঁতৰ ফ্লেটত বহি সন্ধিয়া কথা পাতি আছিলোঁ, দেখিলোঁ, ফ্ৰে'ডে বাৰে-বাৰে ঘড়ী চাইছে, লাহে-লাহে অধৈৰ্য হৈ উঠিছে। হঠাৎ ফ্ৰে'ডে কৈ উঠিল, “বিলি, তোমাৰ দেখোন আজি ‘ছাউথ পেচিফিক' চাব যোৱাৰ কথা আছিল, যোৱা যদি যাবৰ হৈছে।” বিলি অবাক হৈ কিবা এটা ক'ব খুজি ৰৈ গ'ল, তাৰপাছত মোক ক'লে, “অ, ব'লা ছাউথ পেচিফিকখন চাই আহোঁগৈ, কালি প্ৰগ্ৰাম সলনি হৈ যাব নহ'লে, চাব খুজিলে একেবাৰে ৱেষ্ট এ'ণ্ডলৈ যাব লাগিব।”

“সেইখন মই কেতিয়াবাই চাইছোঁ”, মই ক'লোঁ।

বিলি লৰালৰিকৈ উঠিল, আৰু মোৰ বাহুত ধৰি টানিলে, “তাতে কি হ'ল? চবেই কৈছে, বঢ়িয়া ছবি, অনায়াসে দুবাৰ চাব পাৰিবা, আৰু মই কি অকলে-অকলে যাম? মোকো তো এটা সংগী লাগে। ফ্ৰে'ড? নাই, ফ্ৰে'ডে ইতিমধ্যে সেইখন তিনিবাৰ চাইছে, নহয় ফ্ৰে'ড? (ফ্ৰে'ডে চিনেমা-টিনেমা নাচায় বুলিয়েই জানিছিলোঁ, আচৰিত হ'লোঁ)। আহাঁ, আহাঁ, দেৰি হ'লে মস্ত কিউ দিব লাগিব”—আৰু কি হ'ল বুজাৰ আগেয়ে মোক প্ৰায় টানি নি সি দুৱাৰডলিলৈ লৈ গ'ল।

“এক মিনিট, এক মিনিট”, মই প্ৰতিবাদ কৰিলোঁ, “এইচব কি কথা?”

“ব'লা, ব'লা, ইয়াত তৰ্কাতৰ্কি কৰি থাকিলে শেষ শ্ব'টো মিছ্ কৰিব লাগিব ধুৰুপ—নহয়, ৰ'বা এক মিনিট—”, বিলিয়ে ক'লে আৰু লৰালৰিকৈ তাৰ সংগ্ৰহৰ ড্ৰয়াৰটো টানি চালে, বন্ধ আছে নে নাই। “অ, ঠিক আছে। ফ্ৰে'ড, মোৰ পুৰাৰ ধাৰটো?”

ফ্ৰে'ডে বিনা বাক্যব্যয়ে জেপ খুঁচৰি দুটা হাফক্ৰাউন বাহিৰ কৰি দিলে...সেই পইছাৰে কি বিলিয়ে ‘ছাউথ পেচিফিক'ৰ টিকেট কিনিলে? “‘ছাউথ পেচিফিক', মাই ফুট!”, বিলিয়ে ৰাস্তাত নামি ক'লে, “ড'ৰমেটে কি মোক চিনেমা চাবৰ পইছা দিছে? এই পইছাৰে মই এতিয়া পটাচিয়াম ছাইনাইড খাই মৰিলেও তাৰ কোনো আপত্তি নাই। মূল কথা হ'ল, তাক আমি এতিয়া অকলে ঘৰটো এৰি দিব লাগে।”

“কিয়? কিয়?”

“কিয় আৰু! ড'ৰমেটৰ নৱতম নুইচেন্স।” বিৰক্তকণ্ঠে বিলিয়ে ক'লে, “ৰিটাৰ লগত বোলে আজি সন্ধিয়া তাৰ কিবা পৰম ব্যক্তিগত কথা আছে, পৰম ইন্টিমেট। ড'ৰমেটৰো আকৌ পৰম ইন্টিমেট কথা, হোৱাট এন আইডিয়া! যিহওক, ড্ৰয়াৰটো বন্ধ কৰি থৈ আহিছোঁ, ৰিটাই আৰু মোৰ কালেক্‌শ্যনটো পিটিপিটাই একাকাৰ কৰাৰ ভয় নাই। সেইটো চোৱে বুলিহে মোৰ আচল ভয়...নিজৰ ঘৰৰপৰা নিজেই ওলাই আহিবলগীয়া হৈছে, কি এটা পৰিস্থিতি!”

কথা কৈ-কৈ বিলিয়ে নিকটতম পাব্‌টোৰ পিনে ঢাপলি মেলিলে আৰু পাব্‌টোৰ দুৱাৰত হাত দি তাৰ মানৱতাবোধ উভতি আহিল। “কি আৰু কৰিবা, উপায়ো নাই, বেচেৰা এমেশ্যাৰ চুইচ্ ৰমিয়', সঁচাসঁচিকৈয়ে সেই অসম্ভৱজনীৰ প্ৰেমত পৰি হাবুডুবু খাইছে, সিহঁতক অলপ সুবিধা নিদিও নোৱাৰি...যিহওক, ড'ৰমেটৰ পইছাখিনিৰ সদ্ব্যৱহাৰ কৰি পেলোৱা দৰকাৰ, আহাঁ, এই এখন বুজন ধৰণৰ পাব্, ইয়াতেই...”

ঘটনাটো শুনি কভাল্স্কি সন্তুষ্ট হ'ল, তেওঁ ৰৈ-ৰৈ বীয়াৰখিনি শেষ কৰিলে আৰু নুমাই যোৱা পাইপটো ভৰ্তি কৰি লাহে-লাহে ক'লে, “ডেয়াৰ্ ইউ আৰ্। বিলিয়ে তাৰ ৰমিয়' বন্ধুৰ কাৰণে লাগিলে তাৰ নিজৰ ঘৰটোও এৰি দিব, কিন্তু তাৰ আগেয়ে তাৰ সংগ্ৰহৰ দেৰাজটো চাবি মাৰি থৈহে যাব। মই নিজেই এজন সংগ্ৰাহক—অফ্ এ চৰ্ট—সংগ্ৰাহকৰ মনোবৃত্তি মই জানো, বিলিক মই জানো...আঃ, কিন্তু মোৰ ভাগ্যও এনেকুৱা, মাই ফ্ৰেইণ্ড, বাছোঁতে-বাছোঁতে মোৰ হাত পৰিল যাক কয় গেলা বৰালিত, চীনা মানুহ বিচাৰোঁতে-বিচাৰোঁতে পালোঁ এক বিলি নাম, যাৰ জন্মস্থান ইংলণ্ড, শিক্ষা ইংলণ্ডত, যিয়ে ইংৰাজক গালি পাৰি-পাৰি পৰম পৰিতৃপ্তিৰে বিফষ্টেক্ আৰু ৰষ্টবীফ খায়, আৰু যাৰ চীনা ভাষাৰ জ্ঞানৰ

লগত মোৰ চীনা ভাষাৰ জ্ঞানৰ পাৰ্থক্য—নাঃ, বিষয়বস্তু পৰিৱৰ্তন কৰা যাওক, কি কয়?”

৫

এদিন টেলিফ'ন বাজিল আৰু বিলিয়ে ক'লে যে সি পাছ কৰিছে, আৰু এই অচিলাতে তাৰ বন্ধু-বান্ধৱীবোৰে তাৰ ৰুমত নাচ-গান-হাল্লা পাতিব খুজিছে। গতিকে কাষলতিৰ তলত এটা ড্যুবনে'ৰ বটল লৈ বেইজ্ৱাটাৰৰ বাছলৈ দৌৰিলোঁ। সিহঁতৰ ফ্লেটত মানুহ আৰু চিগাৰেটৰ ধোঁৱা ভৰ্তি, ৰেডিঅ'গ্ৰামটোত বজাবলৈ ভূ আৰু আন এজনে শেহতীয়া 'পপ্' বাজনাৰ নাচৰ ৰেকৰ্ড লৈ আহিছে, দুটামান ৰঙীন চীনা লণ্ঠন ওলমিছে, ৰিটা আৰু এজনী ছোৱালীয়ে চেণ্ডউইচ কাটিছে। কোঠালিৰ মাজৰ টেবুলত তাৰ আপুৰুগীয়া মুদ্ৰা-সংগ্ৰহ, তাৰ কাষত সগৰ্বে থিয় হৈ এযোৰ ক'লা ৰঙৰ 'ভদ্ৰ' চুট পিন্ধি বিলিয়ে ডজনত ঊনৈছটাকৈ কথা ক'ব ধৰিছে, ৰিটাই মাজে-মাজে ক্ষিপ্ৰভাবে হাত দি চুলিখিনি ঠিক কৰিছে আৰু সতৃষ্ণনয়নে টেবুলখনলৈ চাইছে। বিলিয়ে মোক একাষলৈ মাতি নি ক'লে যে ফ্ৰে'ড আৰু ৰিটা বাগ্‌দত্তা হৈছে, খবৰটো আজি এই সুযোগতে সি পাৰ্টিৰ শেষত এটা 'বিস্ময়' হিচাপে ঘোষণা কৰিব। মিঃ কভাল্‌স্কি পাৰ্টিলৈ অহা নাই, সকলো ডেকা-ডেকা ল'ৰা আৰু ছোৱালী (তাৰ কোনজনীৰ লগত বিলিৰ কিমান ডিগ্ৰীৰ ঘনিষ্ঠতা সেই বিষয়ে কিছু অনিশ্চয়তা আছে), অচিনাকিবোৰক বিলিয়ে এজন-এজনকৈ চিনাকি কৰি দিলে ঃ ৰন্ পেইজ আৰু বাৰবাৰা মেলৱান (বাগ্‌দত্ত ছাত্ৰ-ছাত্ৰী), বে'টি কিবা (অফিচত কাম কৰে), হিল্ডেগাৰ্ডে হাগেন্‌হাইমাৰ্ (জাৰ্মানীৰপৰা 'ইংৰাজী শিকিব' আহিছে), আব্দেল খালেক (ইজিপ্তীয় ছাত্ৰ), ইংচ্ অনষ্টাড্ (এটা নৰৱেজিয়ান ৪২০) আৰু—এইবাৰ বিলিয়ে এটা 'মিষ্টাৰ' যোগ দিলে—মিষ্টাৰ মট্। মিঃ মটৰ বয়স পঞ্চাছৰ ওপৰ, শকত মানুহ। তেওঁ কৰমৰ্দন কৰিলে আৰু ক'লে যে এই ডেকা মানুহৰ পাৰ্টিত তেওঁৰ উপস্থিতি বেখাপ্পা যেন হ'লেও তাৰ এটা ব্যাখ্যাও আছে ঃ তেওঁ আৰু বিলি একে গোত্ৰৰ মানুহ, সংগ্ৰাহক। এৰা, বিলিও খাঁটি সংগ্ৰাহক, মই ভাবিলোঁ, সি মানুহো সংগ্ৰহ কৰে বেছ। মিঃ মটে কি সংগ্ৰহ কৰে? মিঃ মটে ৰহস্যময়ভাৱে হাঁহিলে আৰু ক'লে, “এদিন বিলিৰ লগত আহিব, তেতিয়া গম পাব। ছেল্‌চিত মোৰ এটা পাব্ আছে।”

৬

লণ্ডনৰ কুঁৱলি ঠেলি বিলিয়ে মোক এদিন সন্ধিয়া ছেল্‌চিলৈ লৈ গ'ল, সেই এলেকাত হেনো প্ৰতি বৰ্গগজত একোজন লেখক আৰু শিল্পী। মিঃ মটৰ পাব্‌টো অৱশেষত পোৱা গ'ল, তাৰ নাম 'দি এ'ণ্ড এফ দি ৱৰ্ল্ড', আৰু ভিতৰ সোমাই ধাৰণা হ'ল সঁচাকৈয়ে প্ৰলয় আৰু ভূমিকম্পত পৃথিৱী উৰি যাব ধৰিছে—লাইটবোৰ ধোঁৱাৰে নীল, ছাপ দাড়িৱালা আৰু কিলাকুটিত চামৰা লগোৱা কোট পিন্ধা লেখক আৰু চিত্ৰকৰ আৰু সংগীতজ্ঞ, সিহঁতৰ মুখত পাইপ আৰু জেপত 'নিউ ষ্টেটচমেন এণ্ড নেচন', আৰু চকু ৰঙা আৰু উদভ্ৰান্ত, পিন্ আপ্-গাৰ্ল আৰু অভিনেত্ৰীৰপৰা জাঁ-পল্ চাৰ্টৰ্ পৰ্যন্ত চব ধৰণৰ উত্তেজিত কটাকটি আলোচনা আৰু হৈ-চৈ হট্টগোল, কোনোবাই এটা মেণ্ডলিন বজাইছে, এটা দলে কলৰৱ কৰি-কৰি ডাৰ্টচ্ খেলিছে, দুখন টেবুলৰ ফাঁকে-ফাঁকে 'জিটাৰ্‌বাগ' নাচৰদৰে এটা নাচৰ মহড়া চলিছে, টেবুলে-টেবুলে বেফিকিৰ বীয়াৰৰ পাছত বীয়াৰ, আৰু ধোঁৱাৰ পৰ্দাই আবৰি পেলাইছে কাউণ্টাৰৰ পিছফালে দণ্ডায়মান মিঃ মট আৰু বগা এপ্ৰন পিন্ধা মিছেছ্ মট্।

ধুঁৱলিৰ মাজেৰে মিঃ মটে অমায়িকভাবে হাঁহিলে আৰু ক'লে, “শুভ সন্ধ্যা, শুভ সন্ধ্যা। মিঃ অমুক, মোৰ স্ত্ৰী। যদি বেয়া নাপায়—এক মিনিট—”, আৰু কি হ'ল বুজাৰ আগেয়েই মিছেছ্ মটে তেওঁৰ এপ্ৰনৰ ভিতৰৰপৰা এখন কেঁচি বাহিৰ কৰিলে আৰু মোৰ টাইডালৰ আগটো কিচ্‌কৈ কাটি পেলালে। এইটো আকৌ কি ধৰণৰ ৰসিকতা? মিছেছ্ মটে মুখত নিৰীহ ভাব এটা ফুটাই তুলিলে আৰু বুজাই দিলে—তেওঁলোকে নতুন খৰিদ্দাৰসকলৰ টাইৰ টুকুৰা সংগ্ৰহ কৰে। আজি ত্ৰিছ বছৰ ধৰি কৰি আহিছে। এইটো এটা ঐতিহ্য। বেয়া নাপাব (কোনেও নাপায়)। কাউণ্টাৰৰ পিছফালৰ ব'ৰ্ড এখনত মোৰ টাইডালৰ টুকুৰাটো পিন মাৰি লগাই দিলে, দেখিলোঁ ব'ৰ্ডখনত হাজাৰ-হাজাৰ মোৰদৰে দুৰ্ভগীয়া টাইৰ বহুবিচিত্ৰ টুকুৰা। “ছিয়াৰ্ আপ্, ছিয়াৰ্ আপ্”, মিঃ মটে ক'লে, “এটা বীয়াৰ খাওক, দোকানৰ তৰফৰপৰা—ৱান অন দি হাউছ”, আৰু মই বুৰ্বকৰদৰে হাঁহিব ধৰিলোঁ। বিলিয়ে মোক এচুকৰ টেবুল এখনলৈ লৈ গ'ল, য'ত কেইজনমান 'ছিৰিয়াছ' প্ৰকৃতিৰ মানুহে—তাৰ এজন তপা আৰু এজন স্পষ্টতঃ অ-ইংৰাজ (আন্টন্ কভাল্‌স্কি!) চাৰিওফালৰ হুলস্থূলৰপৰা বিচ্ছিন্ন হৈ বীয়াৰ খাইছে, আৰু নিজৰ ভিতৰতে শান্তভাৱে কিবাকিবি আলোচনা কৰিছে, ধৰিব পাৰি তেওঁলোকৰ ভংগীমাত এটা চেপা উত্তেজনা। বিলিয়ে মোক চিনাকি কৰি দিলে। বহু ৰকম জীৱিকাৰ মানুহ (অফিচকৰ্মী, শিক্ষক, ব্যৱসায়ী, সাংবাদিক) আৰু প্ৰতিজনে কিবা নহয় কিবা এটা সংগ্ৰহ কৰে—ৰুমাল, বাছটিকেট আৰু ডাকটিকেট, পুতলা, টাইমটেব্‌ল, থিয়েটাৰৰ কাৰ্যসূচী, চীনামাটিৰ পাত্ৰ, শামুক, নস্যৰ কৌটা, মুখা, হাতকেৰেয়া...। তেওঁলোকৰ ভিতৰত বস্তুৰ অদল-বদল চলিছে ঃ 'ক'ই আফ্ৰিকাৰ টিকেট মৰা এখন চিঠি পাইছে, কিন্তু তেওঁ শামুকহে গোটায়, আৰু 'খ'ৰ পেহীয়েকে সাগৰৰ পাৰলৈ গৈ কিছুমান শামুক আনিছে, কিন্তু তেওঁ ডাকটিকেটৰহে সংগ্ৰাহক, গতিকে 'ক'ই 'খ'ক আফ্ৰিকাৰ টিকেটটো দি 'খ'ৰপৰা শামুককেইটা লৈছে। এনেকুৱা। মই ভাৰতবৰ্ষৰপৰা আহিছোঁ? গোটেই দলটো মোৰ ওপৰত মৰাশৰ ওপৰত শগুণ পৰাৰদৰে উবুৰি খাই পৰিল ঃ “আঃ, আপোনাৰ হাতত ভাৰতীয় হাতে কৰা কোনো পুতলা-টুতলা নাইনে, বাই এনি চান্স্?

অনাব নোৱাৰিনে? নিশ্চয় আপোনালৈ নতুন-নতুন ভাৰতীয় ডাকটিকেট লগোৱা চিঠি আহে? কি ঠিক, কিজানিবা আপোনাৰ বস্তুবোৰৰ ভিতৰত ক'ৰবাত এখন কলিকতাৰ বাবে বম্বেৰ বাছটিকেট আছেই? আপোনাৰ ঠিকনাটো দিয়ক—এটা বীয়াৰ খাওক—আপোনাৰ ফ'ন নম্বৰটো কি বাৰু—আৰু এটা বীয়াৰ?"

কোনোমতে এই সৰ্বগ্ৰাসী দলটোৰপৰা আঁতৰি কাউন্টাৰত অবশ হৈ বহিলোঁ, এটা সহানুভূতিৰ হাঁহি মাৰি মিছেছ্ মটে গামোচাৰে গিলাচ মচিব ধৰিলে। ধাৰণা হ'ল বিলিয়ে এওঁলোকক মোৰ ফুটা পইছাটোৰ কথা কোৱা নাই, কোনেও দেখোন নুলিয়ালে। অ, নিশ্চয় সাবধানতাৰ খাতিৰত। মিঃ কভাল্স্কিও উঠি আহিল আৰু কাষতে বহিল, মোৰ পিনে চাই বুজনৰদৰে লাহেকৈ হাঁহিলে।

"আমনি পালে?"

"আমনি ঠিক নহয়", মই ক'লোঁ, "বৰং হতভম্ব হে হ'লোঁ। উঃ, কি-কি যে নোগোটায় মানুহে!"

"সঁচাই, হেইন্ট্ ইট্", মিঃ মটে ক'লে, "যিকোনো বস্তুৰ নাম কৰক, সচল-অচল-নতুন-পুৰণি-পোক-পতংগ-হস্তী-ঘোঁৰা, এনিথিং আণ্ডাৰ দি ছান্, সংগ্ৰাহক ওলাব"। "পৃথিৱীখনেই বোধকৰোঁ সীমা", মই ক'লোঁ। মিছেছ্ মটে ক'লে, "অ, নহয় জানো? হয়তো গোটেই পৃথিৱীখনকে নিজৰ মোনাত ভৰাব খোজে, এনেকুৱা মানুহো ওলাব। এই লেবাৰ গবৰ্নমেন্টলৈকে চাওক, কেনেকৈ এটাৰ পাছত এটাকৈ সকলো বস্তু নিজৰ মোনাত ভৰাইছে—প্ৰথমে কল-কাৰখানা, তাৰপাছত ৰে'লগাড়ী, তাৰপাছত কয়লা, তাৰপাছত চিকিৎসা—।" মিঃ মটে কৈ উঠিল, "আঃ মেগী! জাতীয়কৰণৰ নীতিক আকৌ ইয়াৰ মাজলৈ টানিছা কিয়?" (মিঃ মট লেবাৰ পাৰ্টিৰ সমৰ্থক) "অ' ৰেল", মিছেছ্ মটে ক'লে, "গোটেই পৃথিৱী আত্মসাৎ কৰিব খোজা মানুহ খুব কম, ঈশ্বৰক ধন্যবাদ।" "যি কৈছা", মিঃ মটে ক'লে। "আৰু আপুনি, মিঃ মট", মই ক'লোঁ, "আপোনাৰ দোকানত সংগ্ৰাহকৰ আড্ডা, আপুনি সংগ্ৰাহকৰ সংগ্ৰাহক! হেট্চ্ অফ্!" "সংগ্ৰাহকৰ সংগ্ৰাহক", উৎফুল্ল হৈ মিঃ মটে ক'লে, "এ গুড ৱান, ডেট্। ধন্যবাদ। হেভ্ এনাডাৰ?" "ধন্যবাদ।"

বিলি আহি কাষতে বহিল।

"আপোনাৰ চুইচ বন্ধুক ক'ত থৈ আহিল?", মিছেছ্ মটে সুধিলে।

"সি ৰিটাৰ লগত সিহঁতৰ বিয়াৰ পৰিকল্পনা কৰাত ব্যস্ত। অহা মাহত সিহঁতৰ বিয়া।"

"অ', বৰ ভাল কথা!", মিছেছ্ মটে ক'লে, "হাউ নাইচ!"

"মোৰ কাৰণে তিমান নাইচ নহয়", বিলিয়ে ক'লে, "মোৰ কালেক্শ্যনটো গ'ল"।

"কি!"

মোৰ হাতৰপৰা গিলাচটো প্ৰায় পৰি গ'ল, আৰু কভাল্স্কিৰ পাইপডাল নুমাই থাকিল। মিঃ আৰু মিছেছ্ মটে হতবাক হৈ তাৰ মুখলৈ চালে।

"বন্ধুত্বৰ দায়। সংগ্ৰহটো ৰিটাক উপহাৰ দিব লাগিব, নহ'লে আৰু তাইৰ কাতৰ চাৱনিৰ আতিশয্যত নোৱৰা হৈছোঁ।" খুব পিয়াহ লগাৰদৰে—যেন তাৰ গলটো শুকাই গৈছে—বিলিয়ে দীঘল কেইচুমুকমান বীয়াৰ খালে। "তাই মুখেৰে কোৱা নাই যে সেইটো তাইক লাগে, অৱশ্যেই, কিন্তু চাৱনিৰে, ইংগিতেৰে বুজাই দিবলৈ তাই পাহৰা নাই। ছোৱালী মানুহক কি নিৰাশ কৰিব পাৰি—কি কৰিম, হয়তো এয়ে জীৱন!"

বিলিয়ে এটা দীৰ্ঘ নিশ্বাস পেলালে।

"তুমি মন স্থিৰ কৰি পেলালা?", কভাল্স্কিয়ে সুধিলে অৱশেষত।

"অ", বিলিয়ে সংক্ষেপে ক'লে।

"এ' গেলেন্ট বয়", মিছেছ্ মটে ক'লে।

"ব্ৰাভ' ", মিঃ মটে ক'লে।

"সংগ্ৰহৰ ইতিহাসত এই গেলেন্ট্ৰি, এই ত্যাগ, সোণৰ আখৰেৰে লিখা থাকিব। বিলি, তোমাৰ মই তাৰিফ কৰোঁ। এটা উৎসৱৰ—চেলিব্ৰেশনৰ—দৰ্কাৰ। মিঃ মট্, আৰু এক ৰাউণ্ড বীয়াৰ প্লীজ—নে, অইন কিবা?"

"নাই, বীয়াৰেই হ'ব, ধন্যবাদ।"

গম্ভীৰমুখে বিলিৰ নামত গিলাচৰ লগত গিলাচ স্পৰ্শ কৰা হ'ল, আৰু বিলিয়ে নীৰৱে বীয়াৰত চুমুক দিব ধৰিলে—হঠাৎ যেন তাৰ ধ্যানভংগ হ'ল, সুধিলে, "বাৰু, অহা মাহত যে ড'ৰমেট আৰু ৰিটাৰ বিয়া হ'ব, কথাটো ভালেই হ'ল, অ, কিন্তু মোৰ সংগ্ৰহটো এনেকৈ দি দিয়াটো তুমি বিচাৰা নে নিবিচাৰা?" এইটো আকৌ কি প্ৰশ্ন? সি ক'লে, "এইটো অতি গুৰুত্বপূৰ্ণ। বিচাৰা নে নিবিচাৰা?" "অৱশ্যেই, মোৰ ইপিনেই বা কি, সিপিনেই বা কি, মোৰ পিনৰপৰা বিচাৰিবৰ বা নিবিচাৰিবৰ কি কাৰণ থাকিব পাৰে?" "তেনেহ'লে আৰু কোনো চিন্তা নাই", সি ক'লে, "মাথোন এটা সৰু আপচোচ থাকি যাব—" "আপচোচ? কি আপচোচ?" "ৰিটাক সংগ্ৰহটো উপহাৰ দিম বুলি ভাবিছিলোঁ একেবাৰে সৰ্বাংগসুন্দৰ কৰি; সেইটো আৰু নহ'লগৈ—! সংগ্ৰহটো দি দিম, খেদ নাই—কিন্তু এটা অসম্পূৰ্ণ সংগ্ৰহ! সংগ্ৰহটোৱে প্ৰতিদিন ৰিটাহঁতক সোঁৱৰাই দিব সংগ্ৰাহক হিচাপে মোৰ পৰাজয়ৰ কথা", সি ক'লে, আৰু পুনৰ প্ৰকাণ্ড দীৰ্ঘনিশ্বাস পেলাই মোৰ পিনে কৰুণভাৱে চালে।

ফুটা পইছাটো খুলি তাৰ হাতত দিলোঁ, সি আথেবেথে বেগত ভৰালে। "নাভাবিবা", মই ক্রুদ্ধস্বৰে ক'লোঁ, "যে ৰীতাৰ বিয়া বা তোমাৰ সুনামৰ দুশ্চিন্তাতেই এইটো দি দিলোঁ। নাথিং অফ্ দি চর্ট্। আচল কথা, মোৰ ধৈৰ্য্যচ্যুতি ঘটিছে, মই ফে'ড্ আপ্।" বিলিৰ মুখত তাৰ প্রসিদ্ধ আকর্ণপ্রসাৰী দুষ্টামিৰ হাঁহিটো বিৰিঙি উঠিল, আৰু ক'লে, "ডেটচ্ লাইক্ এ' নাইচ বয়! ৰিটাই কি স্ফুৰ্তিয়েই নাপাব—এনেকুৱা এটা আশ্চৰ্য ফুটাৱালা মুদ্রা।...অৱশ্যে এইটোও ঠিক যে মোৰ কালেক্শ্যনটোৰ লগত মোৰ কি সম্বন্ধ ৰীতাই খুব ভালদৰেই জানে, মৰি গ'লেও তাই এই উপহাৰ মোৰপৰা গ্রহণ নকৰে...আঃ বহুত ৰাতি হ'ল, ক্ষমা কৰিব, মোৰ এটা জৰুৰী এপয়ন্টমেন্ট আছে, পাহৰিয়েই গৈছিলোঁ, গুড্নাইট্—গুড্নাইট্..."

কাকো মুখখন মেলিবলৈকে সুযোগ নিদি ওভাৰকোটটো পিন্ধি-পিন্ধি হুৰমূৰকৈ বিলি দুৱাৰ ঠেলি ওলাই গ'ল। কভাল্স্কিয়ে সহানুভূতি মিশ্রিত কৌতুকৰ হাঁহি এটা মাৰি মোৰ মুখলৈ চালে।

"এটা টিপিকেল মি-ফাই-কৌশল", তেওঁ মন্তব্য কৰিলে।

"কি কৈছে?", মই বিমূঢ়ৰদৰে সুধিলোঁ।

"আপুনি হয়তো নাজানে—বিলিয়েও বোধকৰোঁ নাজানে—বিলিৰ এই কৌশলটোও সেই চীনা সংগ্রহবিশেষজ্ঞ মি-ফাইয়ে উদ্ভাবন কৰা, যাৰ কথা আপোনাক কৈছিলোঁ। হৈছিল কি, এদিন মাজ নদীত নাও এখনেৰে যাওঁতে-যাওঁতে বন্ধু এজনে মি-ফাইক এখন হস্তলিপি দেখুৱালে, চাৰি শতিকাৰ বিখ্যাত লেখক ৱাংশ্চিৰ নিজৰ হাতৰ। সেইখন দেখি মি-ফাইৰ খুব লোভ লাগিল। খুজিলে। অনুৰোধ কৰিলে। অনুনয় কৰিলে। কিন্তু বন্ধুজনে দিবলৈ মান্তি নহ'ল। তেতিয়া মি-ফাইয়ে ক'লে যে সেই হস্তলিপিখন নাপালে তেওঁ তেতিয়াই নদীত জাঁপ দি মৰিব, আৰু এনেকৈ নদীত জাঁপ দিয়াৰ উপক্রম কৰিব ধৰিলে যে বাধ্য হৈ বন্ধুজনে...আপোনাৰ খং উঠিছে?"

মিঃ মটে বীয়াৰ যন্ত্রৰ লিভাৰডালত হাত দি সাগ্রহে শুনিছে, মিছেছ্ মটে কাউন্টাৰৰ ওপৰত কিলাকুটিৰ ভৰ দি মোৰ মুখৰ পিনে চাই আছে। মই বিব্রত হৈ কষ্টেৰে এটা হাঁহি মাৰিলোঁ আৰু ক'লোঁ, "নাই, খং কৰা নাই। সঁচা কথা ক'বলৈ গ'লে, বিলিক তাৰিফহে কৰিছোঁ!"

"এৰা, বিলিৰ ওপৰতো আৰু কোনোবাই খং কৰিব পাৰে নে!" মিছছ্ মটে ক'লে।

"যি কৈছে", মিছেছ্ মটৰ পিনে সপ্রশংস দৃষ্টিৰে চাই মিঃ কভাল্স্কিয়ে ক'লে, যেন এটা গভীৰ সত্য মিছেছ্ মটে উচ্চাৰণ কৰিলে, আৰু পুনৰ তেওঁৰ পাইপটো জ্বলাব ধৰিলে।

"বিলিক অন্তৰেৰে বেয়া পোৱা সম্ভৱনে? চাওক, ফ্রে'ডে বিলিক কিমান হায়ৰাণ কৰে, কিন্তু তাৰ সকলো অনিয়ম, অত্যাচাৰ, আব্দাৰ বিলিয়ে নসহোঁ-নসহোঁ বুলি সহি যায়। কিয়? কাৰণ ফ্রে'ড্ প্রেমত পৰিছে। বিলিহঁতৰদৰে সংগ্রাহকৰ আন এটা নাম হ'ল, 'এমেশ্যাৰ', 'আমাটয়ৰ'—যিটো শব্দৰ অৰ্থ হ'ল 'প্রেমিক'। সিহঁত সিহঁতৰ সংগ্রহৰ প্রেমত পৰিছে। আৰু প্রেমত পৰা মানুহক কোনে ভাল নাপায়? আঃ, মাই ফ্রেইণ্ড, তাৰ ওপৰত আপুনি বিৰক্ত হ'ব পাৰে, তাৰ কাণ্ড দেখি খং উঠিব পাৰে, হাঁহি উঠিব পাৰে, কিন্তু বেয়া পাব কি পাৰে?— অ, মিছেছ্ মট্, আৰু এক ৰাউণ্ড, ইফ্ ইউ প্লীজ্।"